ইণ্টাৰনেটত ‘দৈনিক অসম’ http://dainik.assamtribune.com

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

৭ | চিফুঙৰ প্ৰস্তাৱনা সংখ্যা উন্মোচন
মোডী-মেক্ৰঁৰে নৈশভোজত আৰ মাধৱন | ১০
ধূপধৰাৰ দক্ষিণাঞ্চলৰ পথৰ দুৰৱস্থা | ৯
১২ | ছেমি ফাইনেলত স্তব্ধ লক্ষ্য

৫৮ বছৰীয়া ঐতিহ্য ১৯৬৫-২০২২

। ৩৩৮ সংখ্যা, ৩১ আহাৰ, সোমবাৰ, ১৯৪৫ শক । DAINIK ASAM : Assamese Daily । VOL. 58 NO. 338 । DIBRUGARH, MONDAY, JULY 17, 2023 । পৃষ্ঠা ১২ (Pages 12

প অভিহিত কৰি চিফুং প্ৰকাশন গোষ্ঠীক
ৰিক আশীৰ্বাদ জ্ঞাপন কৰে। তেওঁ বাঁহীৰ
দৰে স্থায়ী আৰু সুদীৰ্ঘ কালৰ বাবে
ঙক সন্মোহিত কৰি ৰাখিবলৈ প্ৰকাশ
ীৰ প্ৰতি আহ্বান জনায়। ভাষণ প্ৰসঙ্গত
ষ্ঠ সাহিত্যিকগৰাকীয়ে সাম্প্ৰতিক কালৰ
খনৰ কাকত-আলোচনীৰ বাক্য-শব্দত
। বানান ভুলসমূহৰ বাবে গভীৰ উদ্বেগ
শ কৰি বৰ্ণাশুদ্ধিৰ ক্ষেত্ৰত চিফুঙে
ত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা
সমান্তৰালভাৱে কৃষি তথা বিভিন্ন উদ্যোগী ব্যক্তিসকলক আলোচনীখনৰ জৰিয়তে উৎসাহিত কৰিবলৈ আহ্বান জনায়। সৃষ্টিশীল প্ৰতিভাক বিকশাই তোলাত বিশেষভাৱে আলোচনীখনে গুৰুত্ব আৰোপ কৰিব বুলি আশা ব্যক্ত কৰে জ্যেষ্ঠ সাংবাদিকগৰাকীয়ে। অনুষ্ঠানত ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, বিশিষ্ট শিক্ষাবিদ ডঃ পুষ্প গগৈ, আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ বিষয়া লোহিত ডেকা প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

## ডি এইচ এছ কানৈ মহাবিদ্যালয়ত বিশ্ব যুৱ দক্ষতা দিৱস পালন

নিজা বাতৰি দিওঁতা

ডিব্ৰুগড়, ১৬ জুলাই ঃ সমগ্ৰ বিশ্বত জনসংখ্যা দ্ৰুতগতিত বৃদ্ধি হৈছে, কিন্তু ইয়াৰ বিপৰীতে মাটিৰ পৰিমাণ বৃদ্ধি হোৱা নাই। এই সমস্যা নিৰ্মূলৰ বাবে কিছুমান কৌশল নিৰূপণ কৰিব লাগিব। ভাৰতীয় চাহ সংস্থা,অসম শাখা, ইউনিচেফ, অসমৰ উদ্যোগত আৰু ডিব্ৰুগড় হনুমানবক্স সূৰযমল কানৈ মহাবিদ্যালয়ৰ সহযোগত বিশ্ব যুৱ দক্ষতা দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুৱে কালি এইদৰে কয়। উপায়ুক্তগৰাকীয়ে কয়— কিশোৰ অৱস্থাৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বিকাশৰ জ্ঞান অতি প্ৰয়োজনীয় বুলি মত প্ৰকাশ কৰি কয়— বৰ্তমান আধুনিক পৃথিৱীখনৰ লগত খাপ খাই জীয়াই থাকিবলৈ হ'লে দক্ষতা অতিশয় প্ৰয়োজনীয়। ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ দক্ষতা বিকাশৰ জৰিয়তে নিজকে জীৱনত নিজকে এজন সফল ব্যক্তি হিচাপে গঢ়ি তুলিব পাৰে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰ্মশালাখনত ভামুন চাহ বাগিচাৰ কিশোৰীসকলে পৰিৱেশন কৰা সমৱেত সংগীতেৰে শুভাৰম্ভ হয়। কৰ্মশালাখনত বন্তি প্ৰজ্বলন কৰে ডিব্ৰুগড় জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুৱে। এছ বি চিৰ কাৰিকৰী পৰামৰ্শদাতা ভক্তিমালা চৌধাৰীয়ে আঁত ধৰা আৰু আদৰণী ভাষণ প্ৰদান কৰি কৰ্মশালাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে এবিটা ইউনিচেফৰ প্ৰ'গ্ৰেম মেনেজাৰ মুক্তিকাম বৰদলৈয়ে। কৰ্মশালাখনত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডঃ প্ৰিয়দেৱ গোস্বামী, জিলা ব্যৱস্থাপনা গোটৰ জিলা কাৰ্যসূচী ব্যৱস্থাপক কমল গোৱালা আৰু আই টি আই চাবুৱাৰ অধ্যক্ষ প্ৰশান্ত নেওগে কিশোৰ-কিশোৰীসকলক উদ্দেশ্যি কয়— যুৱ অৱস্থাৰ পৰাই নিজৰ জীৱনটোক আগুৱাই নিবলৈ হ'লে বিভিন্ন কৌশল আয়ত্ত কৰিব লাগিব। বৰ্তমান পৃথিৱীখন যিহেতু কৌশলগত শিক্ষাৰ ওপৰত অধিক নিৰ্ভৰশীল, সেয়ে ছাত্ৰ-ছাত্ৰীসকলৰ কৌশলগত শিক্ষাৰ অতি প্ৰয়োজন। কাৰিকৰী অধিৱেশনত সমল ব্যক্তি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বকুলস্থিত দীন দয়াল উপাধ্যায় গ্ৰামীণ কৌশল যোজনাৰ অধ্যক্ষ পীযূষ দাস আৰু গ্লাবেল কেৰিয়াৰ কাউন্সেলিং এণ্ড ষ্টুডেণ্ট ৱেলফেয়াৰ চেন্টাৰ, ডিব্ৰুগড়ৰ পৰিচালক ভীৰু সিং সোখিয়ে কিশোৰ- কিশোৰীসকলক দক্ষতা বিকাশৰ নানা কৌশল অৱগত কৰাৰ লগতে কৌশল বিকাশৰ বিভিন্ন দিশসমূহৰ বিষয়ে বিশ্লেষণ কৰে। অনুষ্ঠানত মটক চাহ বাগিচাৰ কিশোৰী দলে চাহ জনগোষ্ঠীৰ লোকনৃত্য পৰিৱেশন কৰে।




## চুঙাজানত বাৰ্মি
## চুপাৰিভৰ্তি
## দুখন ট্ৰাক জব

### এজনক আটক

নিজা বাতৰি দিওঁতা

ধনশিৰি, ১৬ জুলাই ঃ ধনশিৰি মহকুমা
নগালেণ্ড সীমাৰ চুঙাজানত ১৪ জুলা
চুঙাজান থানাৰ আৰক্ষীয়ে বাৰ্মিজ চুপাৰি
ট্ৰাক জব্দ কৰে। জানিব পৰা মতে উক্ত চু
ট্ৰাক দুখন পুৰা নগালেণ্ডৰ চাৰিমাইলৰ পৰ
হৈ নগাঁৱলৈ গৈ আছিল। গোপন সূত্ৰৰ
চুঙাজান আৰক্ষীয়ে চলোৱা অভিযানত চু
ট্ৰাক দুখন জব্দ কৰে যদিও এজন চাল
যাবলৈ সক্ষম হয়। আটক হোৱা চালকজ
জিলাৰ ৰূপহীৰ বুলবুল হুছেইন বুলি জ
গৈছে। আৰক্ষীয়ে জব্দ কৰা বাহন দুখন
নম্বৰ হৈছে এ এছ ০২ ডি চি ২৬৭৫ আ
০২ ডি চি ১৪৮৫। উল্লেখ্য যে যোৱা ১
পুৱতি নিশা চুঙাজান আৰক্ষীয়ে এখ
চুপাৰিভৰ্তি ট্ৰাকসহ পাঁচজন লোক
কৰিছিল। ইতিমধ্যে আৰক্ষীয়ে সমগ্ৰ
ক্ষিপ্ৰতাৰে তদন্ত আৰম্ভ কৰিছে।



## য়ত প্ৰধান শিক্ষকৰ পদ
## কত মত-বিনিময় অনুষ্ঠান

গাস্বামীয়ে অংশগ্ৰহণ কৰি দুয়োটা
-শিক্ষয়িত্ৰীসকলৰ সৈতে মত-
। যোৰহাট জিলা প্ৰাথমিক শিক্ষক
ভাপতি ত্ৰিদিব বৰুৱাই সঞ্চালনা কৰা
াৰহাট প্ৰাথমিক শিক্ষক সন্মিলনীৰ
বিবেকানন্দ বৰাই আঁত ধৰা
উদ্দেশ্য ব্যাখ্যা কৰে যোৰহাট জিলা
ক্ষক সন্মিলনীৰ সম্পাদক অনুপম
মিক বিদ্যালয়ত প্ৰধান শিক্ষকৰ পদ
সন্দৰ্ভত কৰা এই মত-বিনিময়
ন্মিলনীৰ মধ্য অসম মণ্ডলৰ সমন্বয়ক
কোঁৱৰ, অসম ৰাজ্যিক প্ৰাথমিক
শিক্ষক সন্মিলনীৰ উপ-সম্পাদিকা ৰীতা বৰদলৈ, শিৱসাগৰ জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক অৰুণ কলিতা, যোৰহাট জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপদেষ্টা প্ৰাঞ্জল বৰা আৰু উপ-সভাপতি অনিল হাজৰিকা প্ৰমুখ্যে কেইবাগৰাকীও ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ বিষয়ববীয়াও উপস্থিত থাকে। উল্লেখ্য যে ৰাজ্যিক সন্মিলনীৰ প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে শিক্ষকৰ দৰমহাৰ স্বাৰ্থত নহয়, ৰাজ্যখনৰ প্ৰাথমিক বিদ্যালয়সমূহৰ স্বাৰ্থতহে আন্দোলনৰ কাৰ্যসূচী ধাৰাবাহিকভাৱে চলি থকা বুলি উল্লেখ কৰে।

